বীৰ লাচিত সেনা, অসম
অটল-অদম্য-অজেয়

# হেংদাং

## মহাবীৰ লাচিত দিৱসৰ স্মাৰক গ্ৰন্থ



সম্পাদনা ঃ মুকুট শৰ্মা

■ অসমত পাম গছৰ খেতি ঃ সংশয় আৰু সম্ভাৱনা ✍ড° বঞ্জিত দত্ত/২৯০
■ জাতীয় অৰ্থনীতি ঃ বয়ন শিল্প আৰু বড়ো শিপিনী ✍ভৈৰবী বড়ো/২৯৪
■ মুগা খেতিৰ অৰ্থনৈতিক সম্ভাৱনীয়তা ✍ড° মণিমালা শইকীয়া/৩০০
■ অসমৰ জাতীয় জীৱনত মুগা ঃ মুগাৰ অস্তিত্বৰ সংকট আৰু ভৱিষ্যত ✍ড° সোমেন্দ্ৰ নাথ বুঢ়াগোহাঁই/৩০৭

## ভাষাৰ প্ৰশ্ন ঃ শংকা আৰু সংশয়—

■ প্ৰযুক্তি আৰু ভাষা পৰিৱৰ্তন ঃ ৰোমান লিপিৰে লিখা অসমীয়া ভাষা ✍ ড° দীপামণি হালৈ মহন্ত/৩১৯
■ ভাৰতৰ বিভিন্ন ভাষা-ভাষীৰ পৰিয়ালৰ ৬০ হেজাৰ বছৰৰ ইতিহাস আৰু অসমীয়া ভাষাৰ জন্ম কালৰ কথা ✍ দেৱব্ৰত বৰগোহাঞিং/৩২৪
■ ৰোগাক্ৰান্ত ভাষা জননী ✍ পৰাগ ফুকন/৩২৮
■ ভাষাৰ প্ৰশ্নত ঃ শঙ্কা আৰু সংশয় ✍ ভাস্কৰ বৰদলৈ/৩৩৩

## বিষয় ঃ হিন্দু-বাঙালী—

■ অসমীয়া আৰু বাঙালীৰ সংঘাত ✍ বিপুল কুমাৰ ৰাভা/৩৬৯
■ বাংলাদেশী প্ৰীতি বাঙালী ভীতি ✍ ভবানীপ্ৰসাদ অধিকাৰী/৩৭৬
■ বাঙালী-হিন্দুৰ লগত অসমীয়াৰ সংঘাতৰ দস্তাবেজ ✍ অৰিজিৎ শেনচোৱা/৩৯৩

## প্ৰসংগ ঃ দেশী-বিদেশী —

■ চৰ-চাপৰিৰ থলুৱা অসমীয়া ✍ ইছমাইল হুছেইন/৪১০
■ অসমৰ চৰ-চাপৰি অঞ্চললৈ বঙ্গমূলীয় মুছলমান লোকৰ প্ৰব্ৰজনৰ এক ঐতিহাসিক বিশ্লেষণ ✍ ডাঃ শ্বহিদুল ইছলাম/৪২০
■ অনুপ্ৰবেশ, ভূমি বেদখল আৰু খিলঞ্জীয়াৰ অস্তিত্বৰ সংকট ✍ দিগন্ত ৰাগ/৪৬৪
■ অসমলৈ বিদেশী প্ৰব্ৰজন ঃ কেতিয়াৰপৰা কেনেকৈ ? ইতিহাস খুঁচৰি এলানি নিৰ্মোহ আৰু নিৰ্মেদ আলোচনা ✍ নীলিম আকাশ কাশ্যপ/৪৭৩

## হেংদাঙৰ পৃষ্ঠাত

- অসম আৰু অসমীয়াৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি নিৰ্মোহ আৰু নিৰপেক্ষতাৰে গুৰুত্বপূৰ্ণ আলোচনা।
- জাতীয় জীৱনৰ লগত জড়িত প্ৰতিটো বিষয়ৰ বিশ্লেষণ।
- ৭০ জন দায়বদ্ধ লেখকৰ কলমত আলোচিত হৈছে ভিন্ন বিষয়।

— সম্পাদক

# সূচীপত্ৰ

### মন্থন


- জাতীয়তাবাদ আৰু বৌদ্ধিক জগত — ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী/১
- জাতীয় স্বাভিমান আৰু অস্বস্তিকৰ প্ৰশ্ন — ময়ূৰ বৰা/১৮
- তাত্ত্বিক কথাবোৰ এৰি চলিলে অসমীয়া জাতিটোৰ অস্তিত্ব ৰক্ষা নপৰে — চন্দন শৰ্মা/২৩
- দুশবছৰীয়া অসম ১৮২৬-২০২৬ বিষয় আৰু পৰ্যবেক্ষণ — ড° ইন্দ্ৰজিৎ বেজবৰুৱা/৩১
- এটা বিপ্লৱৰ উন্মেষ হওক ঃ এশ শতাংশ আন্তৰিকতাৰে কাম কৰা মানুহৰ — মহেন্দ্ৰ গগৈ/৫৪
- অসমীয়াৰ সংজ্ঞা আৰু অসমীয়াত্বৰ প্ৰসঙ্গ — ড° বিৰিঞ্চি কুমাৰ দাস/৫৯
- অসমীয়াৰ স্বাক্ষৰবিহীন চক্ৰান্তমূলক ইয়াণ্ডাবু সন্ধি আৰু নিষ্পেষিত অসম — তোযেশ্বৰ তামুলী ফুকন/৬৫
- কাশ্মীৰিয়ৎ আৰু অসমীয়াত্ব — পুলিন কলিতা/৭৩
- একবিংশ শতিকাৰ দুৱাৰ ডলিত থিয় দি নতুন অসমীয়াৰ চিন্তা — পংখীপ্ৰিয়া শৰ্মা/৯৯


### বিষয় ঃ লাচিত—


- অসমৰ জাতীয়বীৰ লাচিত বৰফুকনৰ জন্মস্থান গোলাঘাট জিলাৰ চেকীয়ালত নেকি? — প্ৰশান্ত প্ৰসাদ দত্ত/১১১
- লাচিত বৰফুকন — তপন কুমাৰ শৰ্মা/১১৭


### জাতীয় চিন্তা—


- জাতীয় জীৱনৰ বিকাশ, পটভূমি নিৰ্মাণ আৰু তাৰ গণমুখিতা — প্ৰত্যুষ ৰঞ্জন ভাগৱতী/১২৬
- জাতীয় সংগঠনসমূহৰ দায়বদ্ধতা — ধ্ৰুৱজ্যোতি শৰ্মা/১৪৩


# হেংদাং

মূল্য ঃ ৮০০ টকা

প্ৰচ্ছদ সজ্জা ঃ মনজিৎ ৰাজখোৱা

ISBN : 978-93-92580-10-9

# জাতীয় অৰ্থনীতি ঃ বয়নশিল্প আৰু বড়ো শিপিনী

ভৈৰৱী বড়ো

প্ৰত্যেক সভ্যতাৰে আদি স্তৰটো হস্তশিল্পৰ দ্বাৰা নিৰ্মিত। সেইবোৰৰ ভিতৰত বহুলভাৱে প্ৰয়োজনীয় শিল্পবিধ বয়নশিল্প। গাৰ কাপোৰখনেই মানুহ সভ্য হোৱাৰ প্ৰথম চানেকি। মৌখিক যুগৰ সাধুকথা, মালিতা, নিচুকণি গীত, উৎসৱ-পাৰ্বণৰ গীত আটাইবোৰতে তাঁতশালখনে একো একোবাৰ ভুমুকি মাৰে। চিলনীৰ জীয়েক, কাঞ্চনী, তেজা আৰু তুলাই আমাৰ হিয়াত অনুভূতিৰ ফুল আছে। ভমকা-ফুলীয়া কাপোৰবোৰা শিপিনীজনী গীত আৰু কবিতাৰ দেহলাও। উঘা, মহুৰা, দোৰপতি, গৰকা, যঁতৰ, মাকো আৰু টোলোঠাই প্ৰতীকৰ ৰূপ ধাৰণ কৰিছে।

তাঁতশালখন বড়ো সমাজৰ অবিচ্ছেদ্য সম্পদ। এড়ি, মুগা আৰু পাট এই তিনিটাই বৰ্তমান অসমীয়াৰ জাতীয় জীৱনৰ বয়নশিল্পৰ অমূল্য সম্পদ। জাৰৰ দিনত এড়ি কাপোৰৰ উম লোৱা আৰু পাটৰ কাপোৰ গাত লৈ গৰমৰ আৰাম অনুভৱ কৰা অসম দেশৰ বতৰ অনুযায়ী এই কেইবিধ কাপোৰ সঁচাকৈ অসমীয়াৰ অতি মূল্যৱান। পৰিশ্ৰমী আৰু কাৰ্যনিপুণা হোৱা বাবে বড়ো মহিলাসকল অন্যান্য সম্প্ৰদায়ৰ তুলনাত নিৰ্ভীক আৰু স্বাধীনচিতীয়া। ছোৱালীহঁতে দহ-বাৰ বছৰমান বয়সৰ পৰা ঢেকী দিয়া, সূতা কটা, ভুঁইৰোৱা, ৰন্ধা-বঢ়া আদিত মাকৰ সৈতে লাগি-ভাগি দিয়ে। অকামিলা হোৱাটো বড়ো মহিলাৰ কাৰণে বৰ লাজৰ কথা। কোনোবা এঘৰৰ যদি তাঁতবাটি কাঢ়ে ওচৰ-